ভা=ষা কবিতা: এক চমু আলোচনা

অনির্বাণ দত্ত

Issue: Vol. IV, No. 3, November-January, 2025-26



কবিতা এটা লিখাৰ বেলিকা আমি বাছকবনীয়া শব্দ গোটাই লওঁ, সজাওঁ। ভাববস্তুক উজ্জ্বলকৈ দাঙি ধৰিবলৈ ছন্দ, মাত্রা (metre), অলংকাৰ বাছি লৈ আকৰ্ষণীয় আংগিকত সজাওঁ। কিছুমান শব্দ ত্যাগ কৰোঁ আকৌ নতুন শব্দ সংযোগ কৰোঁ... তাৰমানে অনেক কাব্য কৌশল প্রয়োগ কৰি কবিতা এটাৰ ভাল অৰ্থ সৃষ্টি কৰিবলৈ অশেষ কষ্ট কৰোঁ বা অলেখ সময় খৰচ কৰোঁ। কিন্তু, কবিতা এটাৰ অৰ্থ সৃষ্টি কৰাত যে পাঠকসকলৰো গুৰুত্বপূৰ্ণ ভূমিকা থাকিব পাৰে সেই কথা আমি এবাৰো নাভাবোঁ। কবিতাক কবিৰ একপক্ষীয় সৃষ্টি বুলি আৰু কবিতাৰ অৰ্থ কবিয়ে নিৰ্ধাৰণ কৰা একমাত্ৰ ভাববস্তু বুলি আমি ধৰি থাকোঁ। ৰসত চতুৰ পাঠকে যে কবিৰ শব্দ শিল্পক পৃথক দৃষ্টিৰে চাব

পাৰে, তাত ভিন্ ভিন্ অৰ্থ আৰোপ কৰিব পাৰে আৰু কবিতাক অধিক জীৱন্ত কৰি তুলিব পাৰে —এই কথা পাহৰিয়ে থাকোঁ। কোৱা হয় পক্ষীসবে পখা অনুসাৰে উৰে, একেদৰে পাঠকসকলেও নিজৰ অধ্যয়নৰ গভীৰতা, বুদ্ধিৰ স্তৰ আৰু নান্দনিক উপলব্ধি অনুসাৰে একোটা কবিতাৰ নতুন নতুন অৰ্থ উদ্ভাৱন কৰি ভাগে ভাগে তৃপ্ত হ'ব পাৰে। গতিকে, সেইদৰেই কবিতাৰ ৰস পান কৰি তৃপ্ত হ'বলৈ পাঠকে থল পাব লাগে। আনহাতে, সাধাৰণ জনতাৰ মুখৰ ভাষা, কথিত ভাষা, বা মিশ্ৰ (jargon) ভাষাৰেও যে প্ৰভাৱশালী কবিতা লিখিব পাৰি তাক আমি অবজ্ঞা কৰোঁ। পৰম্পৰাগত কাৰিকৰী কৌশলেৰে ছন্দ, লয়, উপমা, অলংকাৰ সমৃদ্ধ মান্য ভাষাৰে কবিতা লিখাত জোৰ দি নাথাকি আমি যে কবিতাক কথিত গদ্য ভাষাৰ ওচৰ চপাই আনিব পাৰোঁ সেই দিশত আমাৰ আস্থা কম। মুঠতে আমি, কবিতা পঢ়া আৰু লিখাত সদায় এক শুচিবায়ুগ্ৰস্ত মন এটা লৈ আগবাঢ়োঁ। ভাষা কবিতা —এইবোৰ দিশেৰে কিছু ব্যতিক্ৰম উদ্যোগ।

কবিতাৰ পৰম্পৰাগত আদৰ্শ, আংগিক আৰু ধাৰণাৰ প্ৰতি প্ৰত্যাহ্বান জনাই আমেৰিকাত গঢ় লৈ উঠিল 'ভা=ষা কবিতা' **(L=A=N=G=U=A=G=E Poetry)**। কবিতাৰ অৰ্থ উদ্ভাৱনত পাঠকসকলৰ ভূমিকাক অধিক সন্মান জনাই ই সাহিত্যৰ এক অভিনৱ তথা প্ৰগতিশীল (avant-grade) আন্দোলন হিচাপে জনপ্ৰিয় হৈ পৰিল। সময়খিনি আছিল ১৯৬০ দশক, যেতিয়া আমেৰিকাত সাহিত্যই ব্যাপক সমাজ পৰিৱৰ্তনৰ অনুঘটক হিচাপে কাম কৰি আছিল। সাহিত্যক সেই ভূমিকা ল'বলৈ পৰিস্থিতি তৈয়াৰ কৰি দিছিল আমেৰিকাৰ পক্ষপাতদুষ্ট ভিয়েটনাম নীতি, আফ্ৰো-আমেৰিকান যুৱক-যুৱতী পুৰুষৰ লগত হোৱা সামাজিক অন্যায়, আৰু ক্ৰমবৰ্ধিত নিবনুৱা সমস্যা আদিয়ে। সেই সময়তে, ভাষা কবিসকলে পৰম্পৰাগত কাব্য কৌশল আৰু দৰ্শনক চেৰাই নতুন নতুন কৌশলেৰে কবিতা লিখা আৰম্ভ কৰিলে। কবিতাত সাম্যবাদী আদৰ্শ, মুক্ত চিন্তা, ব্যক্তি স্বাধীনতা, বিশ্বভাতৃত্ব, শান্তি, বহুত্ববাদ ইত্যাদি প্ৰমূল্য জিলিকি উঠিল। ভাষা কবিসকলে পৰম্পৰাগত ব্যাকৰণ নিৰ্ভৰ ভাষা পৰিত্যাগ কৰি কবিতা লিখিলে বা ব্যাকৰণৰ নিয়ম ভংগ কৰি কবিতাৰ ভাষা নতুনকৈ নিৰ্মাণ কৰিলে। মান্য ইংৰাজী ভাষাক আওকাণ কৰি কথিত আমেৰিকান ইংৰাজী ভাষাত কবিতা লিখিও পাঠকক নতুন সোৱাদ দিলে। তেওঁলোকে কবিতাৰ আংগিক আৰু কাব্য দৰ্শনলৈও আনিলে ব্যাপক পৰিৱৰ্তন। কবিতা লিখা আৰু পঢ়া কৰ্মটো কেৱল কলাৰ সাধনা নহয় ই যে সামাজ আৰু ৰাজনীতিক সংশোধন কৰিব পৰা এটা অমোঘ শক্তি তাক প্ৰতিপন্ন কৰিলে। পাঠকসকলক মুক্ত স্বাধীনতা দি নিজে ভালপোৱাৰ দৰে কবিতা পঢ়িবলৈ উদগনি দিলে। একেসময়তে, নিজৰ ধৰণেৰে কবিতাৰ পাঠ বিশ্লেষণ কৰিবলৈ আৰু কবিতাৰ অৰ্থ নিৰ্মাণ কৰিবলৈ ভাষা কবিতাই পাঠকসকলক পৰ্যাপ্ত থল দান কৰিলে। ফলস্বৰূপে কবিতা, কাব্যিক দৰ্শন আৰু শব্দাৰ্থ সংকেত বিজ্ঞান (semiotics) আদি ইটো আনটোৰ অধিক ওচৰ চাপি আহিল।

ভাষা কবিতাত পাঠকৰ অংশগ্ৰহণ জৰুৰী। নাটক এখনত অভিনয় কৰা আৰু নাটকখন উপভোগ কৰা দুটা কাৰ্য। ভাষা কবিতাই কবি আৰু পাঠকক অভিনেতা আৰু দৰ্শকৰ দৰে দুই মূৰে বহুৱাই ৰখাৰ বিৰোধিতা কৰে; বৰং, ইতিপূৰ্বে লিখিত কবিতাটোৰ অৰ্থ সৃষ্টি কৰাত পাঠককো অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনাই। কবিতা এটা পঢ়ি পাঠকে নাটক এখন চোৱাৰ দৰে নিষ্ক্ৰিয় অভিজ্ঞতা এটা লৈ বহি থাকিবলৈ সুবিধা নাপায়; বৰং ভাষা কবিতাই পাঠকক সংশ্লিষ্ট কবিতাটোৰ ন ন অৰ্থ উদ্ভাৱন কৰিবলৈ প্ৰৰোচিত কৰি থাকে। অৰ্থাৎ, কাব্যিক কৌশল প্ৰয়োগ কৰি ভাষা কবিতাই পাঠকক নীৰৱ শ্ৰোতাৰ স্থানৰ পৰা সক্ৰিয় অংশগ্ৰহণকাৰী স্তৰলৈ আগুৱাই লৈ যায়। কোৱাই হয় যে পাঠকৰ হাততহে কবিতাই পূৰ্ণতা লাভ কৰে। নতুন কাব্য দৰ্শনে কৈছে যে কবিয়ে কাগজত পংক্তি এটা লিখি উলিয়াবলৈ বাছি লোৱা উৎকৃষ্ট শব্দবোৰ যিমান গুৰুত্বপূৰ্ণ, সিমান পৰিমাণে পাঠকজন নিজে আৰু পাঠকে দিয়া নিজৰ ব্যাখ্যাটোও কবিৰ মানত সমান গুৰুত্বপূৰ্ণ বিষয় হ'ব লাগে। অৰ্থাৎ, পাঠকৰ উপস্থিতি আৰু পাঠকৰ নিজা ব্যাখ্যা অবিহনে কবিৰ কবিতা সদায় অসম্পূৰ্ণ।

১৯৬০ দশকৰ শেষৰ ফালে আৰু '৭০ দশকৰ আৰম্ভণিতে আমেৰিকাত এক অভিনৱ কাব্য আন্দোলন হিচাপে ভা=ষা কবিতাই আত্মপ্ৰকাশ কৰিছিল। ই পোনেই আমেৰিকাৰ মূল সুঁতিৰ কাব্য পৰম্পৰাক প্ৰত্যাহ্বান জনাইছিল আৰু তদানীন্তন কাব্য ধাৰণা তথা কাব্য দৰ্শনলৈ আমূল পৰিৱৰ্তন আনিছিল। পৰম্পৰাগত কাব্য শৈলীৰ বিপৰীতে সেই কালছোৱাত কিছুমান নতুন আংগিক আৰু দৰ্শনৰ কবিতা ৰচনা কৰা হৈছিল যিবোৰ *হিলছ* (Hills); *ডিছ* (This); *টʼটেলছ* (Tottels); লে=ঙ=গু=ৱে=জ (L=A=N=G=U=A=G=E); *ট্যাম্বা প্ৰেছ* (Tuumba Press) ইত্যাদি পত্ৰিকা আৰু আলোচনীত বহুলভাৱে প্ৰচাৰ হৈছিল। ভাষা কবিতা আন্দোলনটোক সেই কালত ছানফ্ৰান্সিস্কো আৰু নিউইয়ৰ্ক চহৰৰ বিভিন্ন কবি সম্প্ৰদায়ে বিকশাই তুলিছিল। ভাষা কবিতাৰ প্ৰচাৰ আৰু জনপ্ৰিয়কৰণত চাৰ্লছ বাৰ্নষ্টেইন (Charles Bernstein) আৰু ব্ৰুচ এণ্ড্ৰুজ (Bruce Andrews)ৰ সম্পাদনাত প্ৰকাশিত *L=A=N=G=U=A=G=E* আলোচনী আৰু ৰবাৰ্ট গ্ৰেনিয়াৰ (Robert Grenier) আৰু বেৰেট ৱাটেন (Barrett Watten)ৰ সম্পাদনাত প্ৰকাশিত *This* পত্ৰিকাখনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। বিশেষকৈ, এই আলোচনী দুখনেই 'ভাষা কবিতা'ৰ আন্দোলনটোক নি আমেৰিকাৰ মূল সুঁতিৰ কবি আৰু পাঠক সমালোচকৰ ওচৰত থিয় কৰাই দিছিল। ভাষা কবিতা আন্দোলনৰ আন কেইগৰাকীমান বাটকটীয়া কবি আছিল— মাইকেল পামাৰ (Michael Palmer), লেন হেজেনিয়ান (Lyn Heijinian), ৰন ছিলিমেন (Ron Silliman), ছুছান হাৱ' (Susan Howe), ৰে' আৰ্মেণ্ট্ৰাউট (Rae Armantrout) আদি। কাব্য সাহিত্যত তেওঁলোকে কৰা অভিনৱ কামবোৰে পাঠক সমাজক নতুন অভিজ্ঞতা দান কৰিছিল।

ভাষা কবিতা শৈলীটো কাব্য সাহিত্যত যিদৰে নতুন ঠিক একেদৰে ভা=ষা কবিতা (L=A=N=G=U=A=G=E Poetry) সজ্জা (decoration)টোও অগতানুগতিক। এই কথাটোক লৈ বাংলা কবি আৰ্যনিল মুখাৰ্জীয়ে ২০০৬–০৭ চনত *কৌৰৱ* নামৰ এখন বাংলা অনলাইন আলোচনীৰ বাবে লোৱা এটা সাক্ষাৎকাৰত চাৰ্লছ বাৰ্নষ্টেইনক সুধিছিল, “ভাষা কবিসকলে কিয় ‘L=A=N=G=U=A=G=E’ বানানটো লিখিবলৈ বাছি লৈছিল? ভাষা মূলতঃ চিহ্নৰ সমষ্টি বুলি জোৰ দিবলৈ নেকি?” চাৰ্লছ বাৰ্নষ্টেইনে উত্তৰ দিছিল যে তেওঁলোক কবি বন্ধুসকলে এখন দীঘলীয়া নামৰ তালিকাৰ মাজৰ পৰা ‘Language’ নামটো নিৰ্বাচন কৰিছিল। সেই নামটোক অগতানুগতিক গঠন এটা দিবলৈ গৈ তেওঁ আৰু ব্ৰুচ এণ্ড্ৰুজে প্ৰতিটো আখৰৰ মাজত সমান চিন একোটা দিবলৈ ঠিৰাং কৰিছিল যাতে নামটো বেলেগতকৈ ভিন্ন হ’ব আৰু Linguistic Society of America-ৰ একে শিৰোনামাৰ আলোচনীৰ পৰা তথা Jack Spicerৰ একে নামৰ বিখ্যাত কিতাপখনৰ পৰাও বেলেগ হ’ব। আখৰবোৰৰ মাজত দিয়া সেই সমান চিনবোৰৰ অৰ্থ কি তাৰ বিষয়ে হেনো তেওঁলোকে স্পষ্টভাৱে তেতিয়া একো আলোচনা কৰা নাছিল, কিন্তু দেখি সকলোৱে ভাল পাইছিল আৰু সেইমতেই সকলো সন্তুষ্ট হৈছিল।



L=A=N=G=U=A=G=E

NUMBER 9/10 OCTOBER 1979

THE POLITICS OF POETRY

(This double issue began with the desire to focus attention on political dimensions of current writing. To make some of those aspects and concerns more explicit, and to encourage further discussion, we've asked a number of writers to give their view of what qualities writing has or could have that contribute to an understanding or critique of society, seen as a capitalist system. Below, in alphabetical order, the responses of Kathy Acker, Barbara Barg, Bruce Boone, David Bromige, Don Byrd, Chris Cheek & Kirby Malone & Marshall Reese, Mark Chinoer, Michael Davidson, Alan Davies, Terry Eagleton, Larry Eigner, Brian Fawcett, P. Inman, Michael Lally, John Leo, Chris Mason, Steve McCaffery, Michael Palmer, Robert Rakoff, Jed Rasula, Peter Seaton, James Sherry, Ron Silliman, Alan Sondheim, Lorenzo Thomas, Barrett Watten, Hannah Weiner, as well as our own.)

KATHY ACKER :

NOTES ON WRITING -- from THE LIFE OF BAUDELAIRE

In the beginning Baudelaire wrote his poems in order to discover his own image in them.

After a while self-absorption is boring because one sees thoughts are only thoughts and one wants freedom.

So one gets involved with the process of creating thoughts, with creation which is superfluous and gratuitous.

To avoid this superfluity and gratuity which every great artist knows, pain, Baudelaire asserts himself, for no reason at all, a natural rebel, against the world he knows. There's no other world. He needs a world he can fight or else he'll be back in uneasiness.

One has to exist in pain.

Because Baudelaire kept running from pain, he had no friends and few intimates among derelicts.

The difference between a writer and its world gives the reason for writing. All mental existence is an expression, a measure of distance.

L=A=N=G=U=A=G=E

NUMBER 13 DECEMBER 1980

REWRITING MARX

The poetry of societies in which the capitalist mode of production prevails appears as an "immense collection of books"; the individual book appears as its elementary form. Our investigation begins with the analysis of the book.

The book is, first of all, an external object, a thing which through its qualities satisfies human needs of a literary kind.

Objects of reading become books only because they are the products of the writing of private individuals who work independently of each other. The sum total of the writing of all these private individuals forms the aggregate writing of society. *Since the writers do not come into social contact until they exchange the products of their writing*, the specific social characteristics of their private writings appear only within this exchange. In other words, the writing of the private individual manifests itself as an element of the total writing of society *only through the relations* which the act of exchange establishes between the texts, and, through their mediation, between the writers. To the writers, therefore, the social relations between their private writing appear as what they are, *i.e.*, they do not appear as direct social relations between persons in their work, but rather as material relations between persons and social relations between texts.

However, a text can be useful, and a product of human writing, without being a book. She who satisfies her own need with the text of her own writing admittedly creates reading-values, but not books. In order to produce the latter, she must not only produce reading-values, *but reading-values for others*, social reading-values. (And not merely for others. In order to become a book, the text must be transferred to the other person, for whom it serves as a reading-value, *through the medium of exchange*.)

RON SILLIMAN

ভাষা কবিতা (Language poetry) নামটোৰ আন এটা তাৎপৰ্যও আছে—সি হ’ল ভাষা কবিতাই পৰম্পৰাগত শৈলী আৰু ধাৰণাৰ বিপৰীতে কবিতাত ভাষাকহে অধিক গুৰুত্বপূৰ্ণ উপাদান বুলি গণ্য কৰে। কবিয়ে ক’ব লগা কথাবোৰ ভাষা কবিতাত নিৰ্বাচিত শব্দই ক’ব, বাক্যই ক’ব। কবিতাৰ আঁৰত থাকি কবিয়ে নিজে বা কোনোবা আখ্যানে বা আৱেগিক বিষয়বস্তুৱে কোৱাৰ সুবিধা নাই। পাঠকে নিজে ভাষাৰ লগত যোগসূত্ৰ স্থাপন কৰি কবিতাৰ অৰ্থ নিজে সৃষ্টি কৰিব পাৰিব। আনকি, মান্যভাষাৰ

ব্যাকৰণৰ নিয়মৰ মাজতো ভাষা কবিতা বন্দী হৈ থাকিব নালাগে। ভাষা কবিতাত মিশ্র ভাষা, গুপ্ত ভাষা, কথিত ভাষা সকলোৰে সমান মৰ্যাদা।

ভা=ষা কবিতা(L=A=N=G=U=A=G=E Poetry)ৰ মূল বৈশিষ্ট্যসমূহ এনেধৰণৰ:

(১) *সম্পৰীক্ষাভিত্তিক কৌশল* (Experimental Techniques): ভাষা কবিতাক প্ৰচলিত পৰম্পৰাগত কাব্যিক নীতি-নিয়মক ওফৰাই পেলোৱা এক প্ৰগতিশীল পদক্ষেপ (avant-garde approach) বুলি জনা হয়। ইয়াত বিশেষকৈ ভাষা আৰু কবিতাৰ অৰ্থ সৃষ্টিত পাঠকৰ ভুমিকাক লৈ কিছুমান সম্পৰীক্ষা চলোৱা হয়।

(২) *ভাষাৰ ওপৰত আকৰ্ষণ কেন্দ্ৰীভূত কৰে* (Focus on Language): একোটা আখ্যানৰ সহায়ত বা আৱেগিক বিষয়বস্তু সনাপিঠা কৰি পৰম্পৰাগত শৈলীত কবিতা লিখাৰ ৰীতি বাদ দিয়া হ'ল। সামগ্ৰিকভাৱে কবিতাটোত আৰু তাত ব্যৱহৃত ভাষাত গুৰুত্ব কেন্দ্ৰীভূত কৰি পাঠকৰ লগত সঠিক যোগাযোগ কৰিবৰ যত্ন কৰে।

(৩) *প্ৰত্যাহ্বানমূলক বাক্য গঠন* (Challenging Syntax): ভাষা কবিসকলে অগতানুগতিক বাক্য গঠন (syntax) কৰি পৰীক্ষা-নিৰীক্ষা চলাইছিল। ব্যাকৰণগত নিয়ম ভংগ কৰি নতুন ব্যাখ্যা সৃষ্টি কৰিছিল।

(৪) *উচ্চাৰণ আৰু নতুন আংগিকৰ অন্বেষণ* (Exploration of Sound and Form): শব্দৰ উচ্চাৰণ, বাক্য গঠন আৰু কবিতাৰ আংগিক ইচ্ছাকৃতভাৱে সালসলনি কৰি অদ্বিতীয় অৰ্থ আৰু প্ৰভাৱ সৃষ্টি কৰিবলৈ প্ৰয়াস কৰিছিল।

(৫) *ওচৰা-উচৰি অৱস্থান* (Juxtaposition): ভাষা কবিতাত বিপৰীতমুখী ছবি আৰু পৃথক অনুভৱ বা ধাৰণাবোৰক প্ৰায়ে ওচৰা-উচৰিকৈ ৰখা হয়। ইয়াৰ দ্বাৰা প্ৰতিষ্ঠিত ব্যাখ্যাসমূহৰ পুনৰ মূল্যায়ন কৰিবলৈ আৰু নতুন সিদ্ধান্তলৈ আহিবলৈ পাঠকসকলক প্ৰৰোচিত কৰা হয়।

(৬) *ভাষাৰ বিভিন্নতা* (Variety of Language): শব্দৰ শক্তি আৰু নমনীয়তাৰ ওপৰত গুৰুত্ব বৃদ্ধি কৰিলৈ ভাষা কবিসকলে মান্য আৰু কথিত দুয়োটা ভাষাৰ লগতে মিশ্ৰ (jargon) ভাষা আৰু অন্যান্য শব্দসম্ভাৰৰ লগত পৰীক্ষা-নিৰীক্ষা কৰে।

(৭) *নতুন অৰ্থৰ বাবে প্ৰৰোচিত কৰা* (Provoking New Meaning): ভাষা কবিতাৰ প্ৰাথমিক লক্ষ্য হ'ল বিভ্ৰান্তিৰ সৃষ্টি কৰা, পূৰ্ব সংবোধনক প্ৰত্যাহ্বান জনোৱা আৰু সৰ্বশেষত পাঠকৰ বাবে নতুন, অপ্ৰত্যাশিত অৰ্থ সৃষ্টি কৰা।

(৮) *পাঠকৰ সক্ৰিয় অংশগ্ৰহণৰ দায়িত্ব* (Responsibility for active participation of the reader): ভাষা কবিতাবোৰৰ অৰ্থ সৃষ্টিত পাঠকসকলে সক্ৰিয় অংশগ্ৰহণ কৰিব লগা হয়। কবিতাৰ ভাবাৰ্থ বুজিবলৈ পাঠকে নতুন কৌশল অনুসন্ধান কৰিবলৈ বাধ্য হয়। ভাষা কবিসকলে ইচ্ছাকৃতভাবেই পাঠকসকলক তেনেকুৱা পৰিস্থিতি এটালৈ নিক্ষেপ কৰে যাতে তেওঁলোকে নিজৰ দৃষ্টিভংগী অনুযায়ী কবিতাৰ নতুন অৰ্থ সৃষ্টি কৰিব পাৰে বা কবিতাৰে ফলপ্ৰসূ যোগাযোগ কৰিব পাৰে।

(৯) *নতুন লক্ষ্য পূৰণ কৰা* (Meeting new goals): ভাষা কবিতাৰ ইতিবাচক লক্ষ্যটো হৈছে পাঠকক কবিতাৰ লগত দৃঢ়ভাৱে সংযুক্ত কৰোৱা। পাঠকক নিস্ক্ৰিয় শ্ৰোতাৰ স্থানৰ পৰা আগুৱাই নি কবিৰ সহযোগী কৰি লোৱা। কবিতা লিখা আৰু পাঠ কৰা কামটোক সমাজ আৰু ৰাজনৈতিক পৰিৱৰ্তনৰ অনুঘটক হিচাপে প্ৰতিষ্ঠা কৰা।

(১০) *দাৰ্শনিক ভিত্তি* (Philosophical Basis): ভাষা কবিতা শৈলীয়ে তাত্বিকভাৱে নিৰ্গঠনবাদ (Deconstructionalism), উত্তৰ সংগঠনবাদ (Post-structuralism), আৰু নৈৰ্ব্যক্তিক পৰম্পৰা (Objectivist tradition)ক ভিত্তি কৰি আগবাঢ়ে। মুক্ত চিন্তন আৰু প্ৰকাশৰ স্বাধীনতা সাব্যস্ত কৰা ভাষা কবিৰ মুখ্য অগ্ৰাধিকাৰ বিষয়।

(১১) *লিখনৰ কৃত্ৰিমতা আৰু বিলাসিতাক বাদ দিয়া* (Excluding the Artificiality and Luxury of Writing): ভাষা কবিতাত বিষয়কেন্দ্ৰিক (subjective) অভিজ্ঞতাৰ ঠাইত বস্তুনিষ্ঠ (objective) অভিজ্ঞতাক গুৰুত্ব দিয়া হয়। কবিতাৰ পৰা চিন্তন আৰু লিখনৰ কৃত্ৰিমতাবোৰ আঁতৰ কৰাত জোৰ দিয়া হয়।

বাৰ্নষ্টেইন, এণ্ড্ৰিউ, গ্ৰেনিয়াৰ, ওৱাটেন আদি ভাষা কবিতা আন্দোলনৰ বাটকটীয়া কবিসকলে পাঠকসমাজৰ বাবে ডাঙৰ প্ৰত্যাহ্বান আনি দিছিল। কাব্য ভাষাৰ পৰম্পৰাগত শৈলীক ভাঙি দি তেওঁলোকে কবিতাৰ পাঠ (text)টো বুজিবলৈ পাঠকসকলক এক নতুন পন্থা বিচাৰি উলিয়াবলৈ বাধ্য কৰাইছিল। ভাষা কবিসকলে সেইটো কেনেকৈ কৰিছিল তাক ভালকৈ বুজিবলৈ উদাহৰণ স্বৰূপে ৰে আৰ্মেনট্ৰাউট (Rae Armantrout)ৰ 'এপাৰ্টমেণ্ট' (২০০৮) কবিতাটো চোৱা যাওক—

Apartment

1

The woman on the mantel,
who doesn't much resemble me,
is holding a chainsaw
away from her body,
with a shocked smile,
while an undiscovered tumor
squats on her kidney.

2

The present
is a sentimental favorite,
with its heady mix
of grandiosity
and abjection,
truncated,
framed.

3

It's as if I'm subletting
a friend's apartment.
Even in the dream,
I'm trying to imagine
which friend.

And I'm trying to get
all my robes together,
robes I really own and
robes I don't.

আৰ্মেনট্ৰাউটৰ 'এপাৰ্টমেন্ট' একবিংশ শতিকাত প্ৰকাশিত ভাষা কবিতাৰ এক উত্তম উদাহৰণ। কবিতাটোত চুটি শাৰী ব্যৱহাৰ কৰা হৈছে; কিছুমান শাৰী মাত্ৰ এটা শব্দৰে গঠন হৈছে, আৰু খণ্ডিত ছবিবোৰ একেলগে টুকুৰা টুকুৰকৈ উপস্থাপন কৰা হৈছে যিবোৰ অৱশেষত কোনোবাই বৃক্কৰ টিউমাৰ হোৱা বুলি আৱিষ্কাৰ কৰা ছবিখনৰ সৈতে মিলি গৈছে। সাজোন-কাচোন কাহিনী এটা কোৱাতকৈ কবিয়ে পাঠকক কিছুমান টুকুৰা ছবিৰ বা টুকুৰা অনুভৱৰ সন্মুখীন কৰোৱাইছে। চিনাকি ছবি বা অনুভৱক অচিনাকিৰ সৈতে, শান্তক অশান্তৰ সৈতে ওচৰা-উচৰিকৈ ৰাখি কবিয়ে পাঠকৰ চেতনাক কঁপাই তুলিছে। আৰ্মেন্ট্ৰাউটে স্মৃতিশক্তি, পৰম্পৰাগত ধাৰণা আৰু বিজ্ঞানৰ নীতি-নিয়ম ভাঙিবলৈ চুটি শাৰীৰ ব্যৱহাৰ কৰিছে। বাক্যাংশৰ সৰু সৰু গোটত ভাগ কৰিছে কিন্তু

তাৰ ভিতৰত বৃহৎ প্ৰশ্ন, নতুন ধাৰণা আৰু বৈপৰীত্যবোৰ প্ৰকাশ কৰিবলৈ সক্ষম হৈছে।

আন এটা কবিতা লোৱা হওক। কবিতাটিৰ শিৰোনাম 'My/My/My', কবি চাৰ্লছ বাৰ্নষ্টেইন। (কবিতাটোৰ প্ৰথম কেইশাৰীমানহে ইয়াত উল্লেখ কৰা হৈছে।)

my pillow

my shirt

my house

my supper

my tooth

my money

my kite

my job

my bagel

my spatula

my blanket

my arm

my painting

my fountain pen

my desk

my room

my turn

my book

my hopelessness

এই কবিতাটোৱে ব্যক্তিগত সম্পত্তি আৰু অভিজ্ঞতাৰ এখন দীঘল তালিকা আগবঢ়াইছে। কবিতাটোত মুঠ ১৬২টা শব্দৰে গঢ়া অসংখ্য টুকুৰা ছবি আছে। এজন মানুহে কিমানবোৰ বস্তুক কেৱল নিজৰ নিজৰ নিজৰ বুলি অনুভৱ কৰি থাকে সেয়া কবিতাটোৱে বৰ্ণনা কৰিছে। এই তালিকাই বস্তুগত সম্পত্তি, মনৰ হাবিয়াস আৰু এগৰাকী ব্যক্তিৰ পৰিচয়ক সংযোগ কৰি দেখুৱাইছে। কবিতাটোৰ বিষয়ে স্বামী সচ্চিদানন্দ (Swami Satchidananda)ই কৈছে, “Count these number of things you call mine. This is the distance between you and enlightenment.” ১৯৭৫ চনত আন্দোলনৰ মাজতে প্ৰকাশ পোৱা এই টুকুৰা-টুকুৰ ছবিৰ কবিতাটোৱে ভাষা কবিতাৰ বহু নতুন অনুৰাগীক উদগনি দিছিল। ১৯৭৮ চনত প্ৰতিষ্ঠিত তথা অসংখ্য ভাষা কবিতা প্ৰকাশ কৰি প্ৰখ্যাত হোৱা *L=A=N=G=U=A=G=E* আলোচনীৰ অন্যতম সম্পাদক আছিল এইজন বাৰ্ণষ্টেইন।

আন এটা ভাষা কবিতাৰ একাংশ তলত আগবঢ়ালোঁ। শিৰোনাম “You, part I”, কবি ৰন ছিলিমেন:

I

Hard dreams. The moment at which you recognize that your own death lies

in wait somewhere within your body. A lone ship defines the horizon. The

rain is not safe to drink.

In Grozny, in Bihac, the idea of history shudders with each new explosion.

The rose lies unattended, wild thorns at the edge of a mass grave.
Between

classes, over strong coffee, young men argue the value of a pronoun.”

এই কবিতাটোত, ৰন ছিলিমেনে জীৱন আৰু মৃত্যুৰ বিষয়ে গভীৰ উপলব্ধি প্ৰকাশ কৰিছে। কবিতাটোত মৃত্যুৰ অভিজ্ঞতাক যুদ্ধ আৰু ইতিহাসৰ প্ৰতীক ৰূপে উল্লেখ কৰিছে। বিভিন্ন দৃশ্য, যেনে নীলা ৰঙা বৃষ্টিৰ মাজত একাকী জাহাজ, ঠাইতে থকা ৰঙা

গোলাপ আৰু কফি ঘৰত যুৱকসকলৰ বিতৰ্ক, জীৱনৰ ক্ষণস্থায়িত্ব আৰু মানৱীয় অভিজ্ঞতাৰ জটিলতাক চিত্ৰিত কৰিছে। কবিতাটোৱে ব্যক্তিৰ সমাজ আৰু প্ৰকৃতিৰ সৈতে হোৱা আন্তঃসংযোগ আৰু বিচ্ছিন্নতাৰ অনুভৱবোৰ প্ৰকাশ কৰিছে। কবিতাটোৰ আংগিক লক্ষ্য কৰিবলগীয়া দিশ।

আমি কবিতা এটা কেনেকৈ লিখিব পাৰোঁ বা কেনেকৈ পঢ়িব পাৰোঁ সেই দিশত ভাষা কবিতাৰ নীতিসমূহে আমাক নতুন কিছুমান অভিজ্ঞতা দান কৰে। কবিতাৰ পাঠক হিচাপে ভাষা কবিতাই আমাক কবিতাৰ পাঠটোৰ সৈতে নিবিড়ভাৱে জড়িত হ'বলৈ, পাঠটো পঢ়ি নিজে উপলব্ধি কৰা অৰ্থখিনি আৰোপ কৰিবলৈ, বা আমাৰ ব্যাখ্যাসমূহ কেনেকৈ কবিৰ ব্যাখ্যাৰ লগত মিলি গৈছে বা পৃথক হৈছে ইত্যাদি বিষয়ত আলোচনা কৰিবলৈও সুবিধা দান কৰে। কবিতাৰ লেখক হিচাপে ভাষা কবিতাই আমাক পাঠকসকলৰ সৈতে নিবিড় যোগাযোগ ৰক্ষা কৰিবলৈ সুবিধা দিয়ে। আমাৰ শব্দবোৰক লৈ পাঠকে ভিন ভিন চিন্তা কৰিবলৈ, পুনঃপুনঃ কল্পনা কৰিবলৈ কৰা বৌদ্ধিক প্ৰয়াসবোৰক আমি উৎসাহিত কৰিব পাৰোঁ। এইদৰেই কবিতা এটাই পাঠকৰ অন্তৰ আত্মাৰ নিচেই ওচৰ চাপিব পাৰে, পাঠকে কবিতাৰ মাজত নিজক বিচাৰি পাব পাৰে বা পাঠকে কবিতাটোৰ দ্বাৰা নিজৰ সৃষ্টিশীল চিন্তাৰ বিকাশ ঘটাব পাৰে।

অনিৰ্বাণ দত্ত এগৰাকী কবি আৰু নিবন্ধকাৰ। *গছ আৰু অন্য কবিতা* তেওঁৰ শেহতীয়া কবিতা-সংকলন।